# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জোনাগড়ত বাস কৰা সিদ্দি জনজাতীয় লোকসকলক তেওঁলোকৰ প্ৰগতি তথা সবলীকৰণৰ বাবে শিক্ষা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৪২ হাজাৰৰো অধিক টকা ব্যয় সাপেক্ষে কৃষি আৰু অন্যান্য অনুসংগিক খণ্ডৰ কেইবাটাও প্ৰকল্পৰ উন্মোচন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে. ৰামমোহন নাইডুৱে সমাগত উৎসৱৰ বতৰত বিভিন্ন খণ্ডত বিমানৰ ভাড়া ব্যয় সাধ্য কৰিবলৈ বিমান কোম্পানীসমূহৰ প্ৰতি আহ্বান জনাইছে।

৪। National People's Partyৰ সভাপতি তথা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই মণিপুৰৰ আঞ্চলিক অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ দলৰ পূৰ্ণ সমৰ্থন আছে বুলি পুনৰ নিশ্চিত কৰিছে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে, বাংলাদেশক ১০০ ৰানত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি গুজৰাটৰ জোনাগড় জিলাত বাস কৰা আফ্ৰিকীয় মূলৰ আদিম জনজাতীয় গোট, সিদ্দি গোটৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰীমতী মুৰ্মুৱে জনজাতীয় লোকসকলক তেওঁলোকৰ প্ৰগতি তথা সবলীকৰণৰ বাবে শিক্ষা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। তেওঁ বিশেষভাৱে পিছপৰা সিদ্দি জনজাতীয় গোটে ৭২ শতাংশ সাক্ষৰতাৰ হাৰ প্ৰাপ্তিত সন্তুষ্টি প্ৰকাশ কৰে। জনজাতীয় লোকৰ কল্যাণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে তেওঁলোকক কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিকাশমুখী আৰু কল্যাণগামী আঁচনিসমূহৰ খবৰ ৰাখিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতি মুৰ্মুৱে জনজাতীয় গোটসমূহৰ প্ৰকৃতিৰ সৈতে সামঞ্জস্য ৰাখি জীয়াই থকাৰ প্ৰক্ৰিয়াক প্ৰশংসা কৰি ইয়াক বহনক্ষম জীৱন ধাৰণৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰে। জনজাতীয় সংস্কৃতি আৰু পৰম্পৰাক সন্মান আৰু সংৰক্ষণ কৰা এখন সমাজ গঠনৰ ক্ষেত্ৰত জনজাতীয় ভাই-ভনীসকলৰ সক্ৰিয় অংশগ্ৰহণত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ বাবে জনজাতীয় লোকৰ সমঅধিকাৰ আৰু ন্যায় নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাটো প্ৰয়োজন।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এটা বিশেষ কৃষি কাৰ্যসূচীত কৃষি আৰু অন্যান্য অনুসংগিক খণ্ডৰ ৪২ হাজাৰৰো অধিক টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উন্মোচন আৰু আধাৰশিলা স্থাপন কৰিব। কৃষিখণ্ডত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ধন ধান্য যোজনা আৰু দাইল ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে কৃষকসকলৰ সৈতে মত বিনিময় কৰিব। এই কাৰ্যসূচীয়ে কৃষকসকলৰ কল্যাণ, কৃষি আত্মনিৰ্ভৰশীলতা আৰু গ্ৰাম্য আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে চৰকাৰৰ অবিৰত প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰে। আজি মুকলি কৰিবলগীয়া ধন-ধান্য যোজনাৰ উদ্দেশ্যে হৈছে সমগ্ৰ দেশৰ কৃষিৰ কম উৎপাদন হোৱা ১০০খন জিলাত ব্যাপক কৃষি বিকাশ আৰু কৃষকৰ আয় বৃদ্ধি কৰা। এই আঁচনিৰ জৰিয়তে খেতিপথাৰলৈ জলসিঞ্চনৰ সুবিধা সুনিশ্চিত কৰা, শস্য বিবিধতাৰ প্ৰসাৰ আৰু ঋণ তথা মজুতকৰণ আন্তঃগাঁথনি সহজলভ্য কৰি তুলিব বিচৰা হৈছে।

আনহাতে দাইল আত্মনিৰ্ভৰশীল অভিযানৰ অধীনত ৰহৰ, মাটি মাহ আৰু মচুৰৰ দৰে প্ৰধান দাইলজাতীয় শস্য উৎপাদন বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হ'ব। এই অভিযানৰ অধীনত কেন্দ্ৰীয় সংস্থাসমূহে পঞ্জীকৃত খেতিয়কৰ ১০০ শতাংশ উৎপাদিত শস্য ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰিব আৰু ইয়াৰ জৰিয়তে খেতিয়কসকলে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰিবলৈ সমৰ্থ হ'ব। এই অভিযানৰ মাধ্যমেৰে মাহজাতীয় শস্য খেতি কৰা মাটিৰ পৰিমাণ বৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ বাবে কাম কৰা হ'ব। দাইলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ দিশৰ পৰা এই পদক্ষেপ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কৃষি মন্ত্ৰালয়ে কৈছে যে এই উদ্যমসমূহে অনাগত সময়ত ভাৰতৰ খাদ্য সুৰক্ষাৰ দিশটো সুদৃঢ় কৰাই নহয়, বৰং দেশক দাইলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভশীলতা অৰ্জনৰ দিশে লৈ যাব।

এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কৃষি আন্তঃগাঁথনি পুঁজি, পশুপালন, মীন পালন আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডত ৫ হাজাৰ ৪৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰায় ৮১৫ কোটি টকা ব্যয় সাপেক্ষ আন কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

ooooo

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে. ৰামমোহন নাইডুৱে সমাগত উৎসৱৰ বতৰত বিভিন্ন খণ্ডত বিমানৰ ভাড়া ব্যয় সাধ্য কৰিবলৈ বিমান কোম্পানীসমূহৰ প্ৰতি আহ্বান জনাইছে। বিমান কোম্পানীসমূহেও যাত্ৰীসকলৰ সুবিধা তেওঁলোকৰ সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় হ'ব বুলি আশ্বাস প্ৰদান কৰি কয়, যে এই সময়ছোৱাত যাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্ত বিমান চলাচলৰ ব্যৱস্থা কৰা হ'ব। নতুন দিল্লীত কালি মাহেকীয়া পৰ্যালোচনা বৈঠকত ভাষণ দি শ্ৰীনাইডুৱে যাত্ৰীসকলৰ সুৰক্ষা ব্যৱস্থা, সেৱা তথা অন্যান্য সা-সুবিধাৰ ওপৰত অধিক গুৰুত্ব দিবলৈ কোম্পানীসমূহৰ প্ৰতি আহ্বান জনায়।

ooooo

National People's Partyৰ সভাপতি তথা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই মণিপুৰৰ আঞ্চলিক অখণ্ডতা ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ দলৰ পূৰ্ণ সমৰ্থন আছে বুলি পুনৰ নিশ্চিত কৰিছে। দুদিনীয়া ইম্ফল ভ্ৰমণৰ অন্তিম পৰ্যায়ত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীচাংমাই কয়, যে মণিপুৰৰ অখণ্ডতাৰ ক্ষেত্ৰত এন পি পিয়ে কেতিয়াও আপোচ নকৰে। শ্ৰীচাংমাই গৃহহীন আৰু অসামৰিক গোটসমূহক উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি, স্থিৰতা আৰু সৰ্বাংগীন উন্নয়নৰ প্ৰতি তেওঁৰ দলৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে। শ্বিলঙৰ মণিপুৰী ৰাজবাৰী বিষয়ত শ্ৰীচাংমাই এই অঞ্চলত কোনো ধৰণৰ উচ্ছেদৰ জাননী জাৰী কৰা হোৱা নাই বৰং সেই ঠাইডোখৰ ঐতিহাসিক কৃতি

চিহ্ন হিচাপে সংৰক্ষণ কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে। এন পি পিৰ নেতাগৰাকীয়ে এই ভ্ৰমণ কালত কাংপকপিত জনজাতীয় অসামৰিক সংস্থাসমূহৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰে।

ooooo

নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যমে কালি কৃত্ৰিম বুদ্ধিমত্তা অৰ্থনীতিত নিয়োগ সৃষ্টিৰ ৰূপৰেখা শীৰ্ষক এক বিশেষ প্ৰতিবেদন প্ৰকাশ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীসুব্ৰমন্যমে ভাৰতৰ জনসাধাৰণৰ ওপৰতে ইয়াৰ শক্তি নিৰ্ভৰশীল কৰে বুলি উল্লেখ কৰি কয়, যে সঠিক দৃষ্টিভংগী আৰু সমন্বয়েৰে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে শীৰ্ষৰ দেশ হিচাপে বিবেচিত হোৱাৰ থল আছে। কালি প্ৰকাশ কৰা এই প্ৰতিবেদনে কৃত্ৰিম বুদ্ধিমত্তাই দেশৰ প্ৰযুক্তি আৰু সেৱা খণ্ডলৈ কিদৰে পৰিৱৰ্তন আনিছে সেই বিষয়ে আলোকপাত কৰিছে। এই প্ৰতিবেদনে ২০৩১ চনৰ ভিতৰত সম্ভাব্য নিয়োগ প্ৰতিস্থাপনৰ বিষয়ে সতৰ্ক কৰি দিয়াৰ লগতে পৰৱৰ্তী ৫ বছৰত কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত ৪০ লাখ নতুন নিয়োগ সৃষ্টি কৰিব বুলিও উল্লেখ কৰিছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে নীতি আয়োগে ৰাষ্ট্ৰীয় কৃত্ৰিম বুদ্ধিমত্তা প্ৰতিভা অভিযান মুকলি কৰাৰো প্ৰস্তাৱ দিয়ে।

ooooo

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি ইম্ফলৰ ৰাজভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত সাহসিকতাৰ বঁটা লাভ কৰা সকলক সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁলোকৰ লগতে শ্বহীদ হোৱা সৈনিকসকলৰ নিকট আত্মীয়লৈ নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰে। মণিপুৰৰ বীৰ সৈনিকসকলক ৰাষ্ট্ৰৰ প্ৰতি তেওঁৰোকে আগবঢ়োৱাৰ সেৱাৰ বাবে সন্মানিত কৰাৰ উদ্দেশ্যে ৰাজ্যপালৰ তত্বাৱধানত আয়োজিত এই কাৰ্যসূচী ঐতিহাসিক হিচাপে বিবেচিত হৈছে। কালিৰ এই কাৰ্যসূচীত যুদ্ধত শ্বহীদ হোৱা সৈনিককে ধৰি মুঠ ১৮ গৰাকী বঁটা প্ৰাপকক তেওঁলোকৰ অসীম সাহস আৰু নিস্বাৰ্থ সেৱাৰ বাবে সন্মানিত কৰা হয়। এই সন্মানসমূহৰ ভিতৰত সৌৰ্য চক্ৰ, বীৰ চক্ৰ, সেৱা পদক, বিশিষ্ট সেৱা পদক আৰু মেনচন ইন ডেচপাছেছ চমুকৈ আই এম ডি অন্যতম। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপাল শ্ৰীভাল্লাই মণিপুৰৰ সৈনিকসকলৰ অসীম বীৰ আৰু সাহসৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শ্বহীদসকলৰ পৰিয়াললৈ গভীৰ কৃতজ্ঞতা ব্যক্ত কৰে। বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁ কয় যে, দেশৰ প্ৰতি তেওঁলোকৰ সাহস, সেৱা আৰু বলিদানে সদায় সকলো ভাৰতীয়ক অনুপ্ৰেৰণা যোগাব।

ooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰথমবাৰৰ বাবে বিশিষ্ট অভিনেত্ৰী দিপীকা পাডুকনক মানসিক স্বাস্থ্য এম্বেছেডৰ হিচাপে নিয়োগ কৰিছে। মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে  এই দায়িত্ব প্ৰদানৰ বাবে অভিনেত্ৰীগৰাকীয়ে সন্মানিত বোধ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এনে প্ৰচেষ্টাসমূহত সমৰ্থন আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। ইয়াৰ জৰিয়তে  শ্ৰীমতী পাডুকনে ৰাষ্ট্ৰৰ মানসিক স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালী কৰণত অৰিহনা যোগাব বুলি প্ৰকাশ কৰে। মন্ত্ৰালয়ে লগতে কয়, যে বলীউদৰ জনপ্ৰিয় শিল্পীগৰাকীক মানসিক স্বাস্থ্য এম্বেছেডৰ হিচাপে নিয়োগে সমগ্ৰ দেশতে মানসিক স্বাস্থ্যৰ প্ৰসাৰ, লাঞ্ছনা দূৰ কৰা আৰু এই ক্ষেত্ৰত সজাগতা সৃষ্টিৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে, বাংলাদেশক ১০০ ৰানত পৰাস্ত কৰে। নিউজিলেণ্ড টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ  বিনিময়ত ২২৭ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ব্ৰুক হেলিডে ৬৯ আৰু ছোফি ডিভাইনে ৬৩ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে ৩৯ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১২৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ জেছ কেৰ আৰু লিয়া তাহুহুয়ে তিনিটাকৈ উইকেট দখল কৰাৰ লগতে ৰোজমেৰী মাইৰে দুটা উইকেট লাভ কৰে। এই জয়ৰ সুবাদত নিউজিলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। নিউজিলেণ্ডে এতিয়ালৈকে প্ৰতিযোগিতাৰ ৩ খন খেলৰ দুখনত পৰাজিত হৈছে। বাংলাদেশ সম্প্ৰতি ষষ্ঠ স্থানত আছে।

প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া আনএখন খেলত ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব। ইংলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে শ্ৰীলংকা সপ্তম স্থানত আছে।

ooooo

**সমাপ্ত**